অসম

অসম–অৰুণাচল সীমান্তৰ অতি দুৰ্গম বৃহত্তৰ বৰজাৰাণী অঞ্চলৰ খুঁটিসমূহত বৃহৎ পৰিসৰৰ এল এছ ডি (LSD) টিকাকৰণ অভিযান সম্পন্ন

প্ৰকাশ: ২১ নৱেম্বৰ ২০২৬, নিশা ৮:১৩



(Mintu Borah)

আজি অসম–অৰুণাচল প্ৰদেশ সীমান্তৱৰ্তী বৃহত্তৰ বৰজাৰাণী অঞ্চলৰ অতি দুৰ্গম খুঁটিসমূহত গৰু আৰু ম'হৰ মাজত লাম্পি স্কিন ডিজিজ (Lumpy Skin Disease – LSD) প্ৰতিৰোধৰ উদ্দেশ্যে এক বৃহৎ পৰিসৰৰ টিকাকৰণ অভিযান সফলতাৰে সম্পন্ন কৰা হয়। এই অভিযানৰ জৰিয়তে প্ৰায় ১,১৫০ টা গৰু আৰু ম'হক টিকাকৰণ কৰা হয়।

ভৌগোলিকভাৱে অতি দুৰ্গম, যাতায়াতৰ অসুবিধাপূৰ্ণ আৰু প্ৰতিকূল পৰিস্থিতিৰ মাজতো পশুপালকসকলৰ পশুধনক ৰোগৰ পৰা সুৰক্ষা প্ৰদানৰ লক্ষ্যৰে পশুচিকিৎসা বিভাগৰ কৰ্মীসকলে দূ�ৰৱৰ্তী খুঁটিসমূহত উপস্থিত হৈ এই টিকাকৰণ অভিযান ৰূপায়ণ কৰে। এই অভিযানৰ মূল উদ্দেশ্য হৈছে পশুধনৰ মাজত লাম্পি স্কিন ডিজিজৰ সংক্ৰমণ প্ৰতিৰোধ কৰা, ৰোগৰ সম্ভাৱ্য বিস্তাৰ হ্ৰাস কৰা আৰু পশুধনৰ স্বাস্থ্য সুৰক্ষিত কৰি পশুপালকসকলৰ জীৱিকা তথা অৰ্থনৈতিক নিৰাপত্তা নিশ্চিত কৰা। দূৰৱৰ্তী সীমান্তৱৰ্তী অঞ্চলসমূহত বসবাস কৰা পশুপালকসকলৰ বাবে নিয়মীয়া পশুচিকিৎসা সেৱা লাভ কৰাটো যথেষ্ট প্ৰত্যাহ্বানমূলক। এনে পৰিস্থিতিত বিভাগৰ এই পদক্ষেপে দুৰ্গম অঞ্চলৰ পশুধনৰ স্বাস্থ্যসেৱা নিশ্চিত কৰাৰ ক্ষেত্ৰত এক গুৰুত্বপূৰ্ণ ভূমিকা পালন কৰিছে।

এই সফল টিকাকৰণ অভিযান পশুচিকিৎসা বিভাগৰ কৰ্মীসকলৰ নিষ্ঠা, দায়বদ্ধতা আৰু জনসাধাৰণৰ সেৱাৰ প্ৰতি থকা আন্তৰিকতাৰ এক উজ্জ্বল নিদৰ্শন। পশুপালকসকলৰ সহযোগিতাৰ ফলত অভিযানটো সফলভাৱে সম্পন্ন হয়। পশুধনৰ স্বাস্থ্য সুৰক্ষা, পশুপালকৰ জীৱিকা সংৰক্ষণ আৰু দুৰ্গম অঞ্চলতো পশুচিকিৎসা সেৱা

নিশ্চিতকৰণৰ প্ৰতি বিভাগৰ অঙ্গীকাৰ অব্যাহত থাকিব।

এই খবৰটো NewzNow-ত প্ৰথমে প্ৰকাশ হৈছিল। সম্পূৰ্ণ খবৰ, ভিডিঅ' আৰু আপডেটৰ বাবে চাওক:
newznow.in/news/5074/asom-arunasol-simantor-ati-durgom-brihottor-borojarani-ansolor-khuntisomuhot-bri